# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-02-2025
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। সংসদৰ কাৰ্য বিৱৰণী এতিয়াৰে পৰা বড়ো ভাষাতো অনুদিত ৰূপত শুনাৰ সুবিধা।

২। কাইলৈৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ।

৩। মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখক জয়ন্তী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰ্যসূচীৰ আয়োজন।

৪। অবৈধ খনন কাৰ্যত জড়িত থকাৰ অভিযোগত একাংশ ঠিকাদাৰৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ নকৰা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বি টি চিক নিৰ্দেশ জাৰি।

*আৰু*

৫। অসমৰ নয়নমণি শইকীয়াৰ অনন্য অভিলেখ, ক্ৰমাগত ৫ খন ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত স্বৰ্ণ পদক জয়।

০০০০০

সংসদৰ কাৰ্য বিৱৰণী এতিয়াৰে পৰা বড়ো ভাষাতো অনুদিত ৰূপত শুনাৰ সুবিধা প্ৰদান কৰা হ'ব। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কালি সংসদৰ কাৰ্যক্ৰমণিকা বড়ো, মণিপুৰী, সংস্কৃত, ডোগৰী, মৈথেলী আৰু উৰ্দুলৈ ভাষান্তৰ সেৱাৰ সম্প্ৰসাৰণৰ কথা ঘোষণা কৰে। শ্ৰীবিৰলাই কয়, যে বৰ্তমান হিন্দী আৰু ইংৰাজীৰ উপৰি অসমীয়া, বাংলা, গুজৰাটী, কানাড়া, মালায়ালম, মাৰাঠী, ওড়িয়া, পাঞ্জাবী, তামিল আৰু তেলেগু ভাষাত অনুবাদৰ ব্যৱস্থা আছে। এতিয়াৰে পৰা বড়োসহ ছটা ভাষালৈও সংসদৰ কাৰ্যক্ৰম অনুবাদ কৰা হ'ব। ইয়াৰ উপৰি মানৱ সম্পদ উপলব্ধ হ'লে অতিৰিক্ত ১৬টা ভাষালৈ শীঘ্ৰে সংসদৰ কাৰ্যক্ৰম ভাষান্তৰৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে।

*-বাইট-*

তেওঁ কয়, যে ভাৰতীয় সংসদেই বিশ্বৰ একমাত্ৰ গণতান্ত্ৰিক প্ৰতিষ্ঠান য'ত সদনৰ কাৰ্যক্ৰমণিকা ইমানবোৰ ভাষালৈ অনুবাদ কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংসদৰ কাৰ্য বিৱৰণীৰ অনুবাদৰ ভাষা হিচাপে বড়ো ভাষাক অন্তৰ্ভুক্ত কৰাৰ বাবে লোকসভাৰ অধ্যক্ষ ওম বিৰলাক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই সিদ্ধান্তই বড়ো ভাষী সাংসদসকলক উপকৃত কৰি ভালদৰে যোগাযোগ স্থাপন কৰিবলৈ উৎসাহিত কৰিব। তদুপৰি অসমৰ অন্যতম চহকী ভাষা বড়ো ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰতো ভূমিকা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংসদৰ কাৰ্যক্ৰমত বড়ো, মণিপুৰী, সংস্কৃত, ডোগৰী, মৈথেলী আৰু উৰ্দু ভাষাক অন্তৰ্ভুক্ত কৰাৰ বাবে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৰা ঘোষণাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে কয়, যে হিন্দী, ইংৰাজীৰ উপৰি অসমীয়াকে ধৰি ১০ টা আঞ্চলিক ভাষাত সংসদৰ কাৰ্যক্ৰমণিকাৰ বিৱৰণীৰ ভাষান্তৰ ব্যৱস্থা আছিল আৰু এই তালিকাত উত্তৰ পূৰ্বাঞ্চলৰ দুটা ভাষা বড়ো, মণিপুৰীকে ধৰি মুঠ ছটা ভাষা সংযোজন কৰা হৈছে। এই সিদ্ধান্তই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এখন ভাৰত শ্ৰেষ্ঠ ভাৰতৰ মূল মন্ত্ৰক শক্তিশালী ৰূপত প্ৰতিফলিত কৰা বুলি শ্ৰীসোণোৱালে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই ব্যৱস্থাই থলুৱা ভাষাসমূহৰ প্ৰচাৰ-প্ৰসাৰত অগ্ৰণি ভূমিকা পালন কৰিব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিনিয়োগ সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে কালি ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰত্নম, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণণ, ছিংগাপুৰ আই টি ই শিক্ষা সেৱাৰ মুখ্য কাৰ্যবাহী বিষয়া সুৰেশ নটৰাজন, সুৰ্বানা জুৰঙৰ মুখ্য কাৰ্যবাহী বিষয়া লো চেৰ এক আৰু ছেমিকণ্ডাক্টৰ উদ্যোগৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলক সাক্ষাৎ কৰে। ড০ শৰ্মাই তেওঁলোকৰ সৈতে নগৰ পৰিকল্পনাৰে ৰাজ্যত চহৰ আৰু ঔদ্যোগিক উদ্যান নিৰ্মাণ, সেউজ শক্তি, কাৰিকৰী শিক্ষা, জাগীৰোডৰ ইলেকট্ৰনিক ছিটিত অংশীদাৰিত্ব আদি বিষয় লৈ আলোচনা কৰে। তেওঁ লগতে এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ সৈতে ছেমিকণ্ডাক্টৰ আৰু উদ্যোগ খণ্ডত ছিংগাপুৰৰ অংশীদাৰিত্বই ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য খণ্ডক অধিক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। ড০ শৰ্মাই কয় যে অসমত বিশ্ব দক্ষতা কেন্দ্ৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে আই টি আই ছিংগাপুৰৰ দক্ষতাৰ ব্যৱহাৰৰ পথ অন্বেষণ কৰিব। ভ্ৰমণকালত ড০ শৰ্মাই আই টি ই ছিংগাপুৰৰ উদ্যোগ কেন্দ্ৰিক এৰোস্পেচ পৰীক্ষাগাৰ, ফেকালটিৰ মান, ইলেকট্ৰনিক্স আদিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ কথা।

০০০০০

ৰাজ্যত কাইলৈৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এইবাৰ মুঠ ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰিক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। ৰাজ্যৰ মুঠ ৮৫৬টা পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় শিক্ষা বিভাগে ইতিমধ্যে দুখনকৈ গুৰুত্বপূৰ্ণ সমিতি গঠন কৰিছে। ৰাজ্যিক পৰ্যায়ৰ পৰীক্ষা পৰ্যবেক্ষণ সমিতি আৰু জিলা পৰ্যায়ৰ পৰীক্ষা পৰ্যবেক্ষণ সমিতিৰ তত্ত্বাৱধানত হ'বলগীয়া এই পৰীক্ষাত মোবাইল ফোনকে ধৰি সকলো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰত বাধা আৰোপ কৰা হৈছে। পৰীক্ষা কেন্দ্ৰত কেন্দ্ৰৰ নিৰীক্ষক, নিৰাপত্তা বিষয়া, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলেও কোনো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব। পৰীক্ষাৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট জিলাৰ জিলা আয়ুক্তসকলে ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ বাধা-নিষেধ আৰোপ কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধত পৰিক্ষাৰ্থীৰ বাহিৰে আন লোকৰ প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০

মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখক জয়ন্তী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, দৰং জিলা প্ৰশাসন, কোচ-ৰাজবংশী উন্নয়ন পৰিষদ আৰু সদৌ অসম কোচ ৰাজবংশী সন্মিলনৰ সহযোগত মঙলদৈৰ গান্ধী মৈদানত আজি কেন্দ্ৰীয় কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। এই অনুষ্ঠানত মন্ত্ৰী বিমল বৰা আৰু কেশৱ মহন্তৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু বিজেপি ডিব্ৰুগড় জিলা সমিতিয়ে আজিৰে পৰা ডিব্ৰুগড়ত দুদিনীয়া কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰিছে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। কাৰ্যসূচীৰ অংশহিচাপে বিশিষ্ট কবি বিজু শৰ্মাক বীৰ চিলাৰায় বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত কমতা শীৰ্ষত স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

চিৰাং জিলাতো আজি শৌৰ্য আৰু বীৰত্বৰ প্ৰতিভূ কোচ ৰাজ্যৰ সেনাপতি মহাবীৰ চিলাৰায়ৰ জয়ন্তী পালন কৰিবলৈ লোৱা হৈছে। বিজেপিৰ চিৰাং জিলা সমিতিয়ে আজি দলটোৰ জিলা কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে দিৱসৰ আয়োজন কৰিছে। একেদৰে সদৌ কোচ ৰাজবাংসী ছাত্ৰ সন্থাৰ বিজনী মহকুমা সমিতিৰ কাৰ্যালয়ৰ প্ৰাংগণত কেইবাটাও সংগঠন কেন্দ্ৰীয়ভাৱে এই অনুষ্ঠানৰ আয়োজন কৰিছে। ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকিব। কোচ ৰাজবংশী জাতীয় পৰিষদে বিজনীৰ চোৰাবী বড়িপাৰাত চিলাৰায় দিৱস উদযাপন কৰিব। বঙাইগাঁও জিলাৰ বিভিন্ন স্থানত দিনজোৰা কাৰ্যসূচীৰে চিলাৰায় দিৱস উদযাপন কৰিবলৈ লোৱা হৈছে। জিলাখনৰ খোড়াগাঁও ৰাজহুৱা খেলপথাৰত কেইবাটাও সংগঠনৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একেদৰে কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগতো দিৱস উদযাপন দিহা কৰা হৈছে। এই অনুষ্ঠানত কোচ ৰাজবংশী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি অৰুণ কুমাৰ ৰায়ক মৰণোত্তৰভাৱে চলিত বৰ্ষৰ বীৰ চিলাৰায় বঁটা প্ৰদান কৰা হ'ব।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে অবৈধ খনন কাৰ্যত জড়িত থকাৰ অভিযোগত একাংশ ঠিকাদাৰৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে বি টি চি প্ৰশাসনৰ পৰা উত্তৰ বিচাৰিছে। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ এন উন্নী কৃষ্ণণৰ বিচাৰপীঠে এখন ৰাজহুৱা স্বাৰ্থ জড়িত আৱেদনৰ শুনানি গ্ৰহণ কৰি বি টি চি প্ৰশাসনক এই বিষয়ে স্পষ্ট কৰি দিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে এই ঠিকাদাৰসকল অবৈধ খননত জড়িত থকাৰ অভিযোগ পোৱাৰ পাছতো আৰু তেওঁলোকৰ ঠিকাৰ ম্যাদ উকলি যোৱা স্বত্বেও কিয় ব্যৱস্থা নহ'ল বুলি প্ৰশ্ন উত্থাপন কৰিছে।

০০০০০

ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে চৰকাৰী কৰ্মচাৰীক এটাও প্ৰিমিয়াম নিদিয়াকৈ বীমাৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে পাঞ্জাৱ নেশ্যনেল বেংক, ইণ্ডিয়ান বেংক আৰু এক্সিচ বেংকৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। বিত্ত মন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত স্বাক্ষৰ হোৱা এই চুক্তি অনুসৰি চৰকাৰী কৰ্মচাৰীৰ স্বাভাৱিক মৃত্যু হ'লে ১০ লাখ টকা, দুৰ্ঘটনাজনিত মৃত্যু হ'লে ১ কোটি টকা আৰু বিমান দুৰ্ঘটনাত মৃত্যু হ'লে ২ কোটি টকা প্ৰদান কৰা হ'ব। তদুপৰি সম্পূৰ্ণৰূপে বিকলাংগ চৰকাৰী কৰ্মচাৰীয়ে ১ কোটি টকা আৰু আংশিকভাৱে বিকলাংগ হ'লে ৮০ লাখ টকা বীমাৰ ধন লাভ কৰিব।

০০০০০

গুৱাহাটী জল বোৰ্ডৰ ক্ষেত্ৰসীমাৰ ভিতৰত থকা এলেকাসমূহত আজিৰে পৰা তিনিটা পৰ্যায়ত পানী যোগান ব্যাহত হ'ব বুলি জল বোৰ্ডে এখন জাননীযোগে প্ৰকাশ কৰিছে। প্ৰথম পৰ্যায়ত আজিৰে পৰা ১৫ ফেব্ৰুৱাৰীলৈ, দ্বিতীয় পৰ্যায়ত ১৯ৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ আৰু তৃতীয় পৰ্যায়ত ২৫ৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ পানী যোগান বন্ধ থাকিব। এই সময়ছোৱাত পানী যোগান ব্যৱস্থাত থকা আসোঁৱাহসমূহ পৰীক্ষাৰ বাবে ৰবটিক জৰীপ চলোৱা হ'ব বুলি জাননীখনত উল্লেখ কৰা হৈছে।

০০০০০

লখিমপুৰ জিলাৰ দুলুং সংৰক্ষিত বনাঞ্চলৰ ভিতৰত থকা জিলি নদীত কিছুদিন পূৰ্বে উদ্ধাৰ হোৱা দুটা শক্তিশালী বোমা নিষ্ক্ৰীয়কৰণৰ বাবে লখিমপুল জিলা প্ৰশাসনে আজি আৰু কাইলৈ ব্যৱস্থা গ্ৰহণ কৰিব। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ৰ এই বোমা দুটা সক্ৰীয় হৈ থকাৰ পৰিপ্ৰেক্ষিতত নিষ্ক্ৰীয়কৰণৰ ব্যৱস্থা গ্ৰহণ কৰি ইতিমধ্যে প্ৰশাসনে স্থানীয় ৰাইজলৈ সকৰ্তকা জাৰি কৰিছে। জিলা আয়ুক্তই এটা নিৰ্দেশ যোগে দুলুং সংৰক্ষিত বনাঞ্চলৰ কাষৰীয়া পঞ্চায়তসমূহক আজি আৰু কাইলৈ কমেও চাৰে ৩ কিলোমিটাৰ দূৰত্বত অৱস্থান কৰিবলৈ আহ্বান জনাইছে। এই নিষ্ক্ৰীয়কৰণৰ প্ৰচেষ্টাত উচ্চ প্ৰাবল্যৰ বিস্ফোৰণ হোৱাৰ আশংকা কৰি জনসাধাৰণক এই আহ্বান জনোৱা হৈছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কালিৰে পৰা বন্যপ্ৰাণী সংৰক্ষণ আৰু সংৰক্ষণ কৰ্মীৰ দক্ষতা বিকাশৰ ছদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় ইণ্টাৰ নেচনেল বিগ কেট এলায়েঞ্চ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ উদ্যোগত আয়োজিত এই কৰ্মশালাৰ কালি উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱ আৰু ৰাজ্যৰ বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকে। কেন্দ্ৰীয় বন মন্ত্ৰীগৰাকীয়ে এই পাঠ্যক্ৰমত অংশ ল'বলৈ অহা বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকসকলক আদৰণি জনায়। বিশ্বৰ ২৭ খন দেশৰ অংশগ্ৰহণকাৰীয়ে অংশ লোৱা এই অনুষ্ঠানত ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক সন্দীপ কুমাৰে অংশ লৈ দিয়া ভাষণত বিভিন্ন প্ৰজাতিৰ পশু-পক্ষীৰ বিচৰণ ভূমি কাজিৰঙাত এই পাঠ্যক্ৰমে অংশগ্ৰহণকাৰীসকলক বিশেষভাৱে সহায় কৰিব বুলি মন্তব্য কৰে। ইৰাণ, আফ্ৰিকা, ভূটান, মালয়েছিয়া, শ্ৰীলংকা, কেনিয়াকে ধৰি ২৭ খন দেশৰ প্ৰতিনিধিসকলে কাজিৰঙাত থাকি ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ ব্যৱস্থা, চোৰাংচিকাৰ ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, গৱেষণা পদ্ধতি, পানী ধৰি ৰখাৰ ব্যৱস্থাকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰিব।

০০০০০

ভাৰতীয় শ্বেয়াৰ বজাৰত অব্যাহত থকা বিপৰ্যয়, চাইবাৰ অপৰাধক লৈ গৃহ মন্ত্ৰালয়ৰ তৎপৰতা, এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণক লৈ ৰাজ্য চৰকাৰৰ প্ৰস্তুতিকে ধৰি কেইবাটাও বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান লাভ কৰিছে। ইয়াৰে শ্বেয়াৰ বজাৰৰ খহনীয়াৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে এদিনতে ১০ লাখ কোটি লোকচান, হঠাৎ দেশৰ অৰ্থনীতিৰ ভয়ংকৰ বিপৰ্যয়, **দৈনিক অগ্ৰদূত** কাকতে ভাৰতৰ শ্বেয়াৰ বজাৰত খহনীয়া অব্যাহত, পাঁচ দিনত ১৬ দশমিক ৯-৭ লাখ কোটি টকা ক্ষতি শিৰোনামেৰে প্ৰকাশ কৰিছে। বাতৰিটো অন্যান্য কাকতসমূহেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনখন সফল কৰি তুলিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে তৎপৰতা অব্যাহত ৰাখিছে। এই সম্পৰ্কীয় বাতৰি এটা **আমাৰ অসম** কাকতে ছিংগাপুৰত মুখ্যমন্ত্ৰীৰ বিনিয়োগ বৈঠক, ৰাষ্ট্ৰপতি থাৰমানক সাক্ষাৎ, **দৈনিক অসম** কাকতে এডভাণ্টেজ আছাম ২.০, ছিংগাপুৰৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ, বিভিন্ন উদ্যোগপতিৰে বৈঠক আৰু **দ্য ছেণ্টিনেল** কাকতে CM Meets Singapore president, foreign minister & industrial leaders শিৰোনামেৰে প্ৰকাশ কৰিছে। CM Calls on Singapore President, Sarma meets industry leadres, stresses enhanced collaboration শিৰোনামেৰে দি আছাম ট্ৰিবিউন কাকতেও বাতৰিটোক মুখ্য বাতৰিৰ স্থান দিছে।

চাইবাৰ অপৰাধৰ বিৰুদ্ধে কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ কৰি ব্যৱস্থা গ্ৰহণৰ বাবে গৃহ মন্ত্ৰালয়ৰ তৎপৰতা সম্পৰ্কীয় এটা বাতৰি **অসমীয়া খবৰ** কাকতে কঠোৰ গৃহ মন্ত্ৰালয়, কৃত্ৰিম বুদ্ধিমত্তাৰে চাইবাৰ অপৰাধীৰ ভুৱা একাউণ্ট কৰিব উৎখাত, দেশৰ ১৯ লাখ ভুৱা একাউণ্ট ছীল শিৰোনামেৰে প্ৰতম পৃষ্ঠাত স্থান দিছে।

সংসদৰ কাৰ্যবিৱৰণী অনুবাদৰ ভাষা হিচাপে বড়ো ভাষাক অন্তৰ্ভুক্ত কৰাৰ এটা বাতৰি **দৈনিক জনমভূমি** কাকতে আৰু ৰাজ্যত শীঘ্ৰেই ৯ হাজাৰ ৭১৭গৰাকী শিক্ষক নিযুক্তি দিয়া হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কৰা ঘোষণাৰ এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দ্য টাইমছ অৱ ইণ্ডিয়াই মণিপুৰত অব্যাহত থকা ৰাজনৈতিক অস্থিৰতাৰ এটা বাতৰি আজি প্ৰথম পৃষ্ঠাত স্থান দিছে। এয়াই আছিল আজি প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

০০০০০

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ শান্তি বিঘ্নিত কৰিব পৰা অথবা অনাহক ভয় সৃষ্টি কৰিব পৰা কোনো ধৰণৰ উৰা বাতৰিত ভোল নাযাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। চৰকাৰে হিংসাত উচতনি যোগোৱা বা শান্তি সম্প্ৰীতি বিঘ্নিত কৰা যিকোনো প্ৰচেষ্টাৰ বিৰুদ্ধে আইন অনুযায়ী কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকিয়াই দিছে। ৰাজ্যখনৰ মুখ্য সচিব প্ৰশান্ত কুমাৰ সিঙে প্ৰকাশ কৰা মতে বিভিন্ন মাধ্যমেৰে বিভ্ৰান্তিকৰ তথ্য প্ৰচাৰ কৰা হৈছে আৰু ইয়াৰ ফলত অশান্তিৰ সৃষ্টি হৈছে। তেওঁ কয়, যে একাংশ ন্যস্ত স্বাৰ্থজড়িত ব্যক্তি আৰু গোটে ইচ্ছকৃতভাৱে অশান্তিৰ সৃষ্টি কৰিবলৈ আৰু শান্তি সম্প্ৰীতি বিঘ্নিত কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। এনে চেষ্টাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্য সচিবগৰাকীয়ে সকিয়াই দিছে।

০০০০০

অসমৰ নয়নমণি শইকীয়াই অনন্য অভিলেখ গঢ়ি ক্ৰমাগত ৫ খন ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত স্বৰ্ণ পদক জয় কৰিছে। উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত ক্ৰীড়াবিদগৰাকী এই কৃতিত্বৰ অধিকাৰী হয়।

অসমে উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত বৰ্তমানলৈকে ৩৪ টা পদক লাভ কৰিছে।

ooooo

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছৰ আশে পাশে থাকিব বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ।

অহা ২৪ ঘণ্টাত অসম আৰু অৰুণাচলৰ কোনো কোনো অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

আনহাতে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা মান সূচাংক অনুসৰি গুৱাহাটীৰ ২৪৭, নলবাৰী ২২৪, নগাঁৱৰ ২১২, শিৱসাগৰৰ ৫২ আৰু শিলচৰৰ ৮০ বুলি উল্লেখ কৰিছে।

ooooo

সমাপ্ত